# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

নং ঃ ৮০/২০২০


## ডিব্ৰুগড়ত ২৭.৫ কোটি টকা ব্যয় সাপেক্ষে কলাখোৱাৰ চেঁচা নৈৰ মথাউৰি আৰু বগীবিল আইথান ৰিং বান্ধৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২০ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় জিলাৰ বানপ্ৰৱণ লৰুৱা আৰু বগীবিল অঞ্চলবাসীৰ সমস্যাৰ সমাধানৰ উদ্দেশ্যেৰে আজি ডিব্ৰুগড়ৰ কলাখোৱাত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্য চৰকাৰৰ স্বঅগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ মুঠ ২৭.৫ কোটি টকা ব্যয়সাপেক্ষে কলাখোৱাৰ চেঁচা নৈৰ মথাউৰি আৰু বগীবিল আইথান ৰিং বান্ধৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে। উল্লেখ্য যে এই আঁচনি দুখন জলসম্পদ বিভাগে ৰূপায়ণ কৰিব।

এই উপলক্ষে কলাখোৱা ৰাজহুৱা প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কৃষিখণ্ডৰ উন্নয়ন অবিহনে ৰাজ্যৰ সৰ্বাংগীণ বিকাশ কেতিয়াও সম্ভৱ নহয়। সেইবাবে ৰাজ্য চৰকাৰে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ আদৰ্শৰে অসমত ৰাজ্যখনৰ কৃষকসকলক আৰ্থিকভাৱে সবল তথা তেওঁলোকৰ জীৱনলৈ আৰ্থিক স্বাৱলম্বিতা অনাৰ লক্ষ্যৰে 'মুখ্যমন্ত্ৰী সমগ্ৰ গাঁও উন্নয়ন যোজনা', 'মুখ্যমন্ত্ৰী কৃষি সা-সঁজুলি যোজনা'ৰ দৰে শক্তিশালী কাৰ্যসূচী হাতত লৈছে। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে 'মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা'ৰ অধীনত ট্ৰেক্টৰ বিতৰণৰ পিছত 'মুখ্যমন্ত্ৰী কৃষি সা-সঁজুলি যোজনা'ৰ অধীনত বিগত বৰ্ষত ৰাজ্যখনৰ ৫ লাখ কৃষকক ৫ হাজাৰ টকাকৈ এককালীন আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। চলিত বৰ্ষতো চৰকাৰে একেধৰণে ৬ লাখ কৃষকক পুনৰ পাঁচহাজাৰ টকাৰ এককালীন সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্য চৰকাৰৰ লক্ষ্য হ'ল কৃষকৰ উপাৰ্জন দুগুণ কৰি এখন সমৃদ্ধিশালী বিকশিত অসম গঢ়া। মুখ্যমন্ত্ৰী সোণোৱালে আজি কলাখোৱাৰ চেঁচা নৈৰ মথাউৰি আৰু বগীবিল আইথান ৰিং বান্ধৰ নিৰ্মাণ কাৰ্যৰ জৰিয়তে অঞ্চলকেইটাৰ বানপানীৰ সমস্যা সমাধানৰ পিছত ডিব্ৰুগড় জিলাৰ ভিতৰত অন্যতম সাৰুৱা স্থান ৰূপে পৰিগণিত লৰুৱা মৌজাবাসীৰ ৰাইজে কৃষি খণ্ডত উৎপাদন বৃদ্ধি কৰি অভিলেখ সৃষ্টি কৰিব বুলিও আশা প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত বিজেপি নেতৃত্বাধীন চৰকাৰ থকা পৰ্যন্ত খিলঞ্জীয়া ভূমিপুত্ৰৰ স্বাৰ্থ সদায় সুৰক্ষিত হৈ থাকিব। মুখ্যমন্ত্ৰীয়ে কয় যে এইখন চৰকাৰ অসমৰ খিলঞ্জীয়া ভূমিপুত্ৰ, বিভিন্ন জাতি-জনগোষ্ঠীয়ে সন্মিলিত প্ৰচেষ্টাৰে গঠন কৰা চৰকাৰ। সেয়েহে ৰাজ্যখনৰ খিলঞ্জীয়া ভূমিপুত্ৰৰ স্বাৰ্থ সুৰক্ষিত কৰা,তেওঁলোকৰ ভাষা-কৃষ্টি-সংস্কৃতিৰ উন্নয়ন আৰু উৎকৰ্ষ সাধনৰ সকলো দায়িত্ব এইখন চৰকাৰে মূৰ পাতি লৈছে। তাৰ অংশস্বৰূপে স্বাধীনতা লাভৰ দিন ধৰি কোনো এখন চৰকাৰে বুজি নোপোৱা খিলঞ্জীয়া ভূমিহীন লোক আৰু ক্ষুদ্ৰ চাহ খেতিয়কৰ মৰ্মবেদনা উপলব্ধি কৰি ৰাজ্য চৰকাৰে এই পৰ্যন্ত ১ লাখ ভূমিহীন খিলঞ্জীয়া আৰু ক্ষুদ্ৰ চাহ খেতিয়কক মাটিৰ পট্টা প্ৰদানৰ পদক্ষেপ লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অসমক দেশৰ ভিতৰতে এখন অন্যতম শ্ৰেষ্ঠ ৰাজ্যৰূপে গঢ়ি তোলাৰ বাবে ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰীসকলক এক উপযুক্ত শৈক্ষিক বাতাবৰণ প্ৰদানৰ ওপৰত সকলোৰে গুৰুত্ব প্ৰদান কৰিব লাগিব বুলি

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষা অবিহনে কেতিয়াও এখন সমাজ শক্তিশালী হ'ব নোৱাৰে। এক সৰল শৈক্ষিক বাতাবৰণ গঢ়া আৰু ছাত্ৰ-ছাত্ৰীসকলক বৰ্তমানৰ প্ৰতিযোগিতামূলক যুগত প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব পৰাকৈ যোগ্য কৰি তোলাৰ দিশত পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰী সকলোৰে বহু কৰণীয় আছে। তেওঁ ৰাজ্যখনৰ ছাত্ৰ সংগঠনসমূহকো ৰাজ্যত এক সুস্থ, সৰল শৈক্ষিক বাতাবৰণ গঢ়ি তোলা, ছাত্ৰ ছাত্ৰীৰ মাজত অধ্যয়নৰ প্ৰতি ধাউতি বৃদ্ধিৰ দিশত আগুৱাই আহি কাম কৰিবলৈ আহ্বান জনায়।

অনুষ্ঠানত উদ্বোধনী ভাষণ প্ৰদান কৰে স্থানীয় মৰাণ সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈয়ে। স্থানীয় বিধায়কগৰাকীয়েও নিজ বক্তব্যত পৰিৱৰ্তকামী চৰকাৰখনে আন্তঃগাঁথনি উন্নয়নৰ দিশত গ্ৰহণ কৰা কেইবালানি পদক্ষেপৰ বিষয়ে কয় । তেওঁ মুখ্যমন্ত্ৰী সোণোৱালৰ প্ৰচেষ্টাতে লৰুৱা আৰু জামিৰা মৌজাৰ লেজাই, কলাখোৱা, গৰুধৰীয়া এলেকাৰ দীৰ্ঘদিনীয়া বান সমস্যা সমাধানৰ বাবে ২৭.৫ কোটি টকাৰ কলাখোৱাৰ চেঁচা নৈৰ মথাউৰি আৰু বগীবিল আইথান ৰিং বান্ধ কাম হাতত লোৱা হৈছে বুলি উল্লেখ কৰে। একেদৰে মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰচেষ্টাতে ৰেল মন্ত্ৰালয়েও মধুপুৰত ব্ৰহ্মপুত্ৰৰ মথাউৰি নিৰ্মাণৰ বাবে ১৮ কোটি টকাৰ এক প্ৰকল্পৰ কাম আৰম্ভ কৰিছে বুলিও তেওঁ জানিবলৈ দিয়ে। আজিৰ অনুষ্ঠানত ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা,অসম গৃহ নিৰ্মাণ পৰিষদৰ উপাধ্যক্ষ সুভাষ দত্ত, অসম গেছ কোম্পানী লিমিটেডৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈকে ধৰি কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

উল্লেখ্য যে কলাখোৱা চেঁচা নৈৰ মথাউৰি সৱলীকৰণ আঁচনিৰ জৰিয়তে ৰঙাগড়াৰ পৰা মইনামিৰি গাওঁ হৈ বৰদৈবাম বৰুৱাগাওঁলৈ চেঁচা নদীৰ বাওঁফালৰ ১১ কিঃমিঃ দৈৰ্ঘৰ মথাউৰি নিৰ্মাণ কৰি চেঁচা নদীৰ ওভতনি পানীৰ পৰা সৃষ্টি হ'ব পৰা বানপানী ৰোধৰ ব্যৱস্থা গঢ়ি তোলা হ'ব। তদুপৰি এই আঁচনিৰ অধীনত নিৰ্মাণ হ'বলগীয়া ৩ খন শ্লুইচ গেটে বৰষুণৰ দিনত গাওঁবিলাকত জমা হোৱা অতিৰিক্ত পানীভাগ চেঁচা নদীলৈ উলিয়াই দিয়াত সহায় কৰিব। এই আঁচনিখনৰ জৰিয়তে লৰুৱা মৌজাৰ লেজাই আৰু কলাখোৱা গাওঁ পঞ্চায়তৰ অধীনৰ বৃহত্তৰ এলেকাৰ প্ৰায় ২০,০০০ লোকে প্ৰতিবছৰে সন্মুখীন হৈ থকা বানপানীৰ সমস্যাৰ পৰা মুক্ত হ'ব আৰু প্ৰায় ৬১২০ হেক্টৰ কৃষিভূমি বানপানীৰ কবলৰ পৰা মুক্ত হ'ব। এই ৰিংবান্ধটো সবলীকৰণৰ বাবে ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ অধীনত মুঠ ২২ কোটি টকা আৱণ্টন দিয়া হৈছে । অন্যহাতে বগীবিল গাইড বান্ধৰ পৰা মিঞাপট্টি গাঁওলৈ প্ৰায় ৪.৪০ কিঃমিঃ দৈৰ্ঘ্যৰ মথাউৰি সবলীকৰণৰ বাবে ৰাজ্য চৰকাৰৰ স্বঅগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ ৫.৫ কোটি টকা ব্যয়সাপেক্ষে জলসম্পদ বিভাগে হাতত লোৱা বগীবিল আইথান ৰিংবান্ধৰ জৰিয়তে ডিব্ৰুগড় জিলাৰ জামিৰা মৌজাৰ ৰজাভেটা আৰু বগীবিল গাঁও পঞ্চায়তৰ অৰ্ন্তগত প্ৰায় ১২ খন গাঁৱৰ ৰাইজ আৰু প্ৰায় ৪২০০ হেক্টৰ কৃষিভূমি বানপানীৰ কবলৰ পৰা ৰক্ষা পৰিব।

**সুঃমিঃকঃ / বঃভাঃ / পুঃডেঃ**
**২০/০২/২০২০**